# অকঁনিহতঁৰ বাবে বাইবেলখন

আগবঢ়াইছে

## যীচুৰ জন্ম




লিখিছে: Edward Hughes
ব্যাখ্যা কৰিছে: M. Maillot
Alastair Paterson
গ্ৰহণ কৰিছে: E. Frischbutter; Sarah S.
অনুবাদ কৰিছে:
ডঃ শান্তি ৰাণী সিং, এম. এচ. চি. পি. এইচ. ডি.



প্ৰকাশ কৰিছে: Bible for Children
www.M1914.org

BFC
PO Box 3
Winnipeg, MB R3C 2G1
Canada



©2020 Bible for Children, Inc.
অনুমতি: এই কাহিনীটো নকল বা ছপা কৰা অধিকাৰ আপোনাৰ আছে, কিন্তু ইয়াক বিক্ৰী নকৰিব।




বহুত দিনৰ আগতে, ঈশ্বৰে গাব্ৰিয়েল দূতক মৰিয়ম নামে এগৰাকী অতি মৰমলগা যিহূদী কন্যাৰ ওচৰলৈ পঠাইছিল। তেওঁ মৰিয়মক কলে, “তুমি এটি পুত্ৰ সন্তান প্ৰসৱ কৰিবা আৰু তেওঁৰ নাম যীচু থবা। তেওঁক সৰ্ব্বোপৰি ঈশ্বৰৰ পুত্ৰ বুলি জনা যাব, তেওঁ চিৰকাল ৰাজত্ব কৰিব।




আচৰিত হৈ ছোৱালীজনীয়ে কলে, “ই কনেকৈ হ’ব পাৰে? মই কোনো পুৰুষৰ লগত থকা নাই।” দূতে মৰিয়মক ক’লে যে এই সন্তান ঈশ্বৰৰ পৰা আহিব। তেওঁৰ কোনো জাগতিক পিতৃ নাথাকিব।
3
দূতে মৰিয়মক কৈছিল যে তাইৰ জ্ঞাতি এলীচাবেথেও বৃদ্ধ বয়সত গৰ্ভৱতী হৈছে। ইয়ো এক আচৰিত কৰ্ম্ম আছিল। ইয়াৰ কিছুদিন পিছতে মৰিয়মে এলীচাবেথৰ ঘৰলৈ গ’ল। তেওঁলোকে একেলগে ঈশ্বৰৰ প্ৰশংসা কৰিলে।
4
যোচেফ নামে এগৰাকী ব্যক্তিৰ লগত বিবাহ হবৰ বাবে মৰিয়মক বাগ্দান কৰা হৈছিল। মৰিয়ম সন্তান সম্ভৱা শুনি যোচেফে দুখ পাইছিল। তেওঁ ভাবিছিল যে অন্য কোনোৱা এজন সেই সন্তানৰ পিতৃ।
5
সপোনত দৰ্শণ দি ঈশ্বৰৰ দূতে যোচেফক কৈছিল যে, এই সন্তান ঈশ্বৰৰ পুত্ৰ। যীচুৰ তত্বৱধান লোৱা ক্ষেত্ৰত যোচেফে মৰিয়মক সহায় কৰিব লাগিব।
6
যোচেফে ঈশ্বৰক বিশ্বাস কৰি আৰু তেওঁৰ বাধ্য হৈছিল। তেওঁ নিজৰ দেশৰ বিধানৰো বাধ্য আছিল। এক নতুন বিধানৰ কাৰণে, তেওঁ আৰু মৰিয়মে, কৰ দিব উদ্দেশ্যে তেওঁলোকৰ নিজা ঘৰুৱা নগৰ বৈৎলেবেমলৈ গৈছিল।
7
মৰিয়ম সন্তান প্ৰসৱৰ সময় ওচৰ চাপিছিল। কিন্তু তেওঁলোকৰ কাৰণে যোচেফে ক’তো ঠাই বিচাৰি পোৱা নাছিল। আলহী ঘৰবোৰ মানুহেৰে ভৰি পৰিছিল।
8

অৱশেষত যোচেফে এটি গোহালীঘৰ বিচাৰি পাইছিল। সেই ঠাইতে কেচুৱা যীচুৰ জন্ম হৈছিল। জন্তুবোৰে দানা খোৱা পাত্ৰত তেওঁৰ মাতৃ মৰিয়মে তেওঁক শুৱাই থৈছিল।



9

ওচৰৰ পথাৰতে মেৰখীয়াসকলে তেওঁলোকৰ শুই থকা মেৰবোৰ পৰদি ৰখি আছিল। ঈশ্বৰৰ দূতে তেওঁলোকৰ আগত দেখা দি তেওঁলোকক শুভসংবাদটি দিছিল।



10

“আজি দায়ূদৰ নগৰত তোমালোকৰ নিমিত্তে ত্ৰাণকৰ্ত্তা জন্মিল, তেওঁ অভিষিক্ত প্ৰভু। তোমালোকে লৰাটিক কাপোৰেৰে মেৰিয়াই দানাপাত্ৰত শুৱাই থোৱা দেখা পাবা।”



11

হঠাতে আৰু অনেক উজ্জ্বল দূতৰ আৰ্বিভাৱ হৈছিল, তেওঁলোকে ঈশ্বৰৰ প্ৰশংসা কৰি কৈছিল, “উৰ্দ্ধলোকত ঈশ্বৰৰ মহিমা, আৰু পৃথিৱীত, প্ৰীতিৰ পাত্ৰ মানুহবিলাকৰ মাজত শান্তি।”



12

মেৰখীয়াসকল ততাতয়াকৈ গোহালীলৈ গল। কেচুৱাটিক দেখা পিছত, তেওঁলোকে লগ পোৱা সকলোকে দূতে তেওঁলোকক যীচুৰ বিষয়ে জনোৱা সকলো কথা জনালে।



13

আঠ দিনৰ পিছত, যোচেফ আৰু মৰিয়মে যীচুৰ যিৰূচালেম মন্দিৰলৈ লৈ গৈছিল। তাত চিমিয়োন নামে এজন ব্যক্তিয়ে যীচুৰ কাৰণে ঈশ্বৰৰ প্ৰশংসা কৰিছিল আৰু ঈশ্বৰৰ দাসী হান্না নামে এগৰাকী বৃদ্ধ মহিলাই প্ৰভুক ধন্যবাদ দিছিল।



14


তেওঁলোক দুয়ো জানিছিল
যে, যীচু ঈশ্বৰৰ পুত্ৰ, আৰু
প্ৰতিজ্ঞা কৰা ত্ৰাণকৰ্ত্তাজনা।
যোচেফ এজোৰ চৰাই বলি
দিছিল। এটি নৱজাত শিশুক
ঈশ্বৰৰ সন্মুখত আগবঢ়োৱাৰ
সময়ত দুখীয়া
সকলে প্ৰভুৰ
উদ্দেশ্যে
দিবলগীয়া
দান, যি
দানৰ বিষয়ে
ঈশ্বৰৰ
বিধানে
কৈছিল।
15


কিছুদিনৰ পিছত,
এটি বিশেষ তৰাই
পূৰ দেশৰ জ্ঞানী
পণ্ডিত কেইজনমানক
যিৰূচালেমলৈ লৈ
আনিছিল।
তেওঁলোকে সুধিলে, “যীহূদীবিলাকৰ
যি ৰজা জন্মিল তেওঁ ক’ত? কিয়নো
আমি তেওঁক প্ৰণিপাত কৰিবলৈ
আহিলো।”
16


ৰজা হেৰুদে জ্ঞানী পণ্ডিতসকলৰ
বিষয়ে শুনিছিল। তেওঁ চিন্তিত
হৈছিল, আৰু যীচুক বিচাৰি
পালে তেওঁকো খবৰ দিবলৈ
তেওঁলোকক কৈছিল, “ময়ো
তেওঁক প্ৰণিপাত কৰিব
বিচাৰো”। কিন্তু তেওঁ মিছা
মাতিছিল। তেওঁ যীচুক বধ
কৰিবলৈ বিচাৰিছিল।
17


তৰাটিয়ে মৰিয়ম যোচেফ আৰু
শিশুটি থকা সঠিক ঘৰলৈ জ্ঞানী
পণ্ডিতসকলক চলাই লই আনিছিল।
তেওঁৰ আগত প্ৰণিপাত কৰি যাত্ৰী
কেইজনে যীচুক সোণ আৰু সুগন্ধি
দ্ৰব্যৰ বহুমূলীয়া উপহাৰ দিছিল।
18


গুপুতে নিজ নিজ ঘৰলৈ
উলটি যাবলৈ ঈশ্বৰে জ্ঞানী পণ্ডিত
কেইজনক সাৱধান কৰি দিছিল।
হেৰুদ ক্ৰোধিত হৈ পৰিছিল। যীচুক
ধ্বংস কৰা দৃঢ়তাৰে, ধূৰ্ত্ত শাসকজনে
বৈৎলেহেমৰ প্ৰতিটো লৰা’ সন্তানক
বধ কৰিছিল।
19


কিন্তু হেৰুদে ঈশ্বৰৰ পুত্ৰৰ
কোনো ধৰণৰ অপকাৰ
কৰিব নোৱাৰিলে! সপোনত
এটি সাৱধান বানী পায়
যোচেফে মৰিয়ম আৰু
যীচুক নিৰাপদ ঠাই মিচৰলৈ
লৈ গৈছিল।
20

হেৰুদৰ মৃত্যু হোৱাত যোচেফে মৰিয়ম আৰু যীচুক মিচৰৰ পৰা লৈ আনিছিল।



গালীল সাগৰৰ কাষত নাচৰত্ নামে এখন সৰু নগৰত তেওঁলোকে নিবাস কৰিছিল।

21

যীচুৰ জন্ম

ঈশ্বৰৰ বাক্য, বাইবেলত

এই কাহিনী পোৱা যায়

মথি ১ - ২, লূক ১ - ২ অধ্যায়

“তোমাৰ বাক্য প্ৰকাশে দীপ্তি দিয়ে।”
গীতমালা ১১৯:১৩০ পদ

22




36 60

23

বাইবেলৰ এই কাহিনীয়ে আমাক আমাৰ আশ্চৰ্য্যজনক ঈশ্বৰৰ বিষয়ে কয়, যিজনাই আমাক নিৰ্ম্মাণ কৰিলে আৰু যি জনাই আমি তেওঁৰ বিষয়ে জনাতো বাঞ্ছা কৰে।

ঈশ্বৰে জানে যে আমি বেয়া কাম কৰিলো, যাক তেওঁ পাপ বুলি আখ্যা দিছে। পাপৰ শাস্তি হৈছে মৃত্যু, কিন্তু ঈশ্বৰে তোমাক ইমান প্ৰেম কৰে যে, তেওঁ নিজৰ একমাত্ৰ পুত্ৰ যীচুক পঠাই দিছিল, যাতে তেওঁ তোমাৰ পাপৰ কাৰণে শাস্তি পাই ক্ৰুচত মৃত্যু বৰণ কৰে। তাৰ পিছত যীচু জীৱিত হ'ল আৰু তেওঁৰ ঘৰ স্বৰ্গলৈ গ'ল। তুমি যদি যীচুত বিশ্বাস কৰা আৰু তোমাৰ পাপবোৰ ক্ষমা কৰিবলৈ কোৱা, তেতিয়া তেওঁ নিশ্চয়ে কৰিব! তেওঁ এতিয়াই আহি তোমাত নিবাস কৰিব, আৰু তুমি চিৰকাল তেওঁৰ লগত নিবাস কৰিবা।

তুমি যদি এই সত্যত বিশ্বাস কৰা, তেতিয়া ঈশ্বৰক এইদৰে কোৱা:
প্ৰিয় যীচু, মই বিশ্বাস কৰো যে, আপুনি ঈশ্বৰ, মোৰ পাপৰ কাৰণে মৃত্যু বৰণ কৰিবলৈ আপুনি মানুহৰ ৰূপ ধাৰণ কৰিলে, আৰু এতিয়া আপুনি আকৌ জীৱিত। মোৰ জীৱনলৈ আহঁক আৰু মোৰ পাপবোৰ ক্ষমা কৰক, যাতে এতিয়া মই নতুন জীৱন পাব পাৰো, আৰু এদিন চিৰদিনৰ কাৰণে আপোনাৰ লগত থাকিবলৈ আপোনাৰ ওচৰলৈ যাব পাৰো। আপোনাৰ বাধ্য হৈ আপোনাৰ সন্তানৰ দৰে আপোনাৰ কাৰণে জীয়াই থাকিবলৈ মোক সহায় কৰক। আমেন।

বাইবেলখন পঢ়া আৰু প্ৰতিদিনে ঈশ্বৰৰ লগত কথোপকথন কৰা!
যোহন ৩:১৬ পদ।

24